# প্ৰস্তাৱনা

## ০.১.০ বিষয়ৰ পৰিচয় ঃ

নন্দনতত্ত্ব হ'ল এক বিস্তৃত বিষয়। প্ৰাচীন কালৰে পৰা নন্দনতত্ত্ব আৰু ইয়াৰ সমগোত্ৰীয় আলোচনা আৰু বিশ্লেষণৰ ধাৰাবাহিকভাৱে প্ৰচলন হৈ আছে। সৌন্দৰ্যৰ স্বৰূপ, উৎস, ইন্দ্ৰিয়গ্ৰাহ্যতা, শিল্পকলাত ইয়াৰ অৱস্থিতি, সৌন্দৰ্যৰ উপলব্ধিৰ বিশদ, বিশ্লেষণাত্মক অধ্যয়নেই নন্দনতত্ত্বৰ মুখ্য উদ্দেশ্য। ১৮ শ শতিকাৰ শেষৰ ফালে গ্ৰীক শব্দ "Aisthetikos" শব্দটোৰ আধাৰত aesthetic তথা নন্দনতাত্ত্বিক চিন্তা-চেতনাৰ সূচনা হ'ল বুলিব পাৰি। নন্দনতত্ত্বৰ পৰিসীমা ব্যাপক আৰু গভীৰ। সংকীৰ্ণ অৰ্থত সৌন্দৰ্যৰ অধ্যয়নেই নন্দনতত্ত্ব হ'লেও বিস্তৃত অৰ্থত ই কলাৰ দৰ্শন (Philosaphy of Art) সূচায়। সেয়ে প্ৰথমবাৰৰ বাবে বোমগাৰ্টেনে (১৭১৪-১৭৬২) Aesthetic শব্দৰ ব্যৱহাৰেৰে বেলেগ বিজ্ঞান বুলি প্ৰতিষ্ঠা কৰিলেও নন্দনতত্ত্বৰ অধ্যয়ন প্ৰসঙ্গ প্লেটোৰ পৰা আৰম্ভ কৰিলবগীয়া হয়। প্লেটো, এৰিষ্ট'টল, লঙ্গিনাছে কলাৰ আধাৰত আলোচনা কৰা নন্দনতত্ত্বক বোমগাৰ্টেনে Aesthetic নামকৰণ কৰি ইমানুৱেল কান্টক (১৭২৪-১৮০৪) বিষয়ৰ স্বতন্ত্ৰতা প্ৰতিষ্ঠা কৰিবলৈ সুবিধা কৰি দিয়ে। "ৰুছ মনীষী টলষ্টয়ে প্ৰায় এশ পঞ্চাছ বছৰ মানৰ আগতে ইউৰোপীয় খৃষ্টীয়ান জগতৰ সম্পদশালী ব্যক্তিসকলৰ মাজত নন্দনতাত্ত্বিক আলোচনাৰ উদ্ভৱ হয় বুলি তেওঁৰ *What is Art* বোলা পুথিত প্ৰকাশ কৰিছে।"[১]

ভাৰতত নন্দনতত্ত্ব অধ্যয়নৰ প্ৰসঙ্গত ভৰতমুনিৰ নাম সৰ্বপ্ৰথমেই উল্লেখনীয়। "তেওঁৰ নাট্যশাস্ত্ৰও নান্দনিক তত্ত্বালোচনাৰ প্ৰাচীনতম গ্ৰন্থ।"[২] ভৰতৰ ৰস সমন্ধীয় সংজ্ঞাত থকা "নিস্পত্তিঃ" শব্দৰ আধাৰত পৰৱৰ্তী কালত ভট্টল্লোলটৰ উৎপত্তিবাদ, শ্ৰীশঙ্কুকৰ অনুমিতিবাদ, ভট্টনায়কৰ ভুক্তিবাদ আৰু অভিনৱগুপ্তৰ অভিব্যক্তিবাদ নামেৰে চাৰিটা মতবাদ প্ৰতিষ্ঠিত হৈছে। এইসকল ভাৰতীয় আলংকাৰিকৰ উপৰি ধ্বনিবাদ (আনন্দবৰ্ধন আৰু অভিনৱগুপ্ত), বক্ৰোক্তি (কুন্তক), ৰীতিবাদ (বামন) আৰু ঔচিত্যবাদ (ক্ষেমেন্দ্ৰৰ) আদিৰ নন্দনতত্ত্ব অধ্যয়নৰ বিভিন্ন 'বাদ' সমূহৰ উল্লেখো দেখা যায়।

সাহিত্যত নন্দনতত্ত্বৰ অধ্যয়নৰ প্ৰসঙ্গত দেখা যায় যে পাশ্চাত্যৰ সৌন্দৰ্যতত্ত্ব আৰু প্ৰাচ্যৰ ৰসৰ উদ্দেশ্য একেই। অৱশ্যে প্ৰাচ্যৰ পাৰলৌকিক আৰু পাশ্চাত্যৰ ঐহিক জীৱন দৃষ্টিৰ প্ৰসঙ্গত আনন্দৰ অৰ্থ আৰু মাত্ৰাত পাৰ্থক্য থকা দেখিবলৈ পোৱা যায়। প্ৰাচ্যৰ পণ্ডিত, কবি, আলোচকৰ দৃষ্টিত নন্দনতত্ত্বই

---

১ ত্ৰৈলোক্য নাথ গোস্বামী, *নন্দনতত্ত্ব প্ৰাচ্য আৰু পাশ্চাত্য*, পৃ. ১

২ হৰিনাথ শৰ্ম্মা দলৈ, *শঙ্কৰদেৱৰ সাহিত্য প্ৰতিভা*, পৃ. ১৩

এক সুকীয়া মাত্রা লাভ কৰিছে। ভাৰতীয় প্ৰাচীন আৰু মধ্যযুগীয় সাহিত্যসমূহ নন্দনতাত্ত্বিক দৃষ্টিৰে বিচাৰ কৰিলে ভাৰতীয় দৃষ্টিত নন্দনতত্ত্বৰ স্বৰূপ বুজি পাব পাৰি। ভাৰতীয় সাহিত্যৰ কাব্য, নাট আদিৰ কথা বাদ দিও মধ্যযুগৰ ভক্তি-সাহিত্যত এনে কিছু ৰচনা পোৱা যায়, যিবোৰৰ বিশ্লেষণে নন্দনতাত্ত্বিক বৈশিষ্ট্যৰ নানা লক্ষণ দাঙি ধৰে। তেনে এগৰাকী ধৰ্মগুৰু আৰু কবি-নাট্যকাৰ শঙ্কৰদেৱৰ ৰচনাসমূহত নন্দনতাত্ত্বিক বৈশিষ্ট্য অন্যতম গুণ হৈ প্ৰকাশ পোৱা চকুত পৰে।

শঙ্কৰদেৱে সমকালীন নিৰক্ষৰ জনসাধাৰণক আগত ৰাখি তেওঁলোকক প্ৰচলিত চিন্তাভাৱনাৰ বিপৰীতে অমূৰ্ত ভগৱানৰ অস্তিত্ব উপলব্ধিৰে মানুহৰ মাজত বৈপ্লৱিক পৰিৱৰ্তন আনিছিল। এই পৰিৱৰ্তনৰ মূল মাধ্যম আছিল সাহিত্য। শঙ্কৰদেৱৰ সময়ৰ সৰহসংখ্যক বিশৃংখল পদ্ধতিৰে জীৱন-যাপন কৰা লোকক সাংস্কৃতিকভাৱে সচেতন কৰাটো প্ৰত্যাহ্বানমূলক কাম আছিল। তেনেদৰেই, কোনো ধৰণৰ প্ৰতিলিপিৰ সুবিধা নথকা, যথেষ্ট ব্যয়বহুল আৰু কষ্টসাধ্য কৰ্ম সাঁচিপাতত সাহিত্য সৃষ্টিৰে কাব্যৰ নান্দনিক সৌন্দৰ্য অটুট ৰাখি ধৰ্ম প্ৰচাৰৰ দৰে উদ্দেশ্য সচেতন ভাৱে ৰক্ষা কৰাটো এক কঠিন প্ৰত্যাহ্বান বুলি ক'ব পাৰি। কলা হিচাপে সাহিত্যৰ সকলো গুণ অক্ষুণ্ণ ৰাখি ধৰ্মৰ দৰে জটিল বিষয় নিৰক্ষৰ, চহা মানুহৰ বোধগম্য, আয়ত্তাধীন কৰাত শঙ্কৰদেৱৰ বিচক্ষণতা অতুলনীয়। প্ৰতিলিপিকৰণত থকা অসুবিধালৈ লক্ষ্য ৰাখি শঙ্কৰদেৱে তেওঁৰ আদৰ্শ কাব্যৰ মাধ্যমত প্ৰচাৰ কৰাহে সুচল বুলি ভাবিছিল। কীৰ্তন-শ্ৰৱণৰ সুবিধাৰ বাবেই শঙ্কৰদেৱৰ কাব্যসমূহ দ্ৰুতগতিত গভীৰভাৱে মানুহৰ মাজত সোমাই পৰিছিল। চহা জনসাধাৰণৰ মাজত অতি সহজ প্ৰৱেশে তেওঁৰ কাব্যৰ শ্ৰুতিমধুৰতা, বক্তব্যৰ স্পষ্টতা, ভাষাৰ সৰলতা চমুকৈ নান্দনিকতাই প্ৰকাশ কৰে। অৰ্থাৎ নন্দনতত্ত্বৰ সকলো উপাদানেৰে সমৃদ্ধ হৈ সকলো দিশেৰে শঙ্কৰদেৱৰ কাব্যসমূহ ৰচিত হৈছে। দেখা যায় যে - "তেওঁ অসমীয়া মানুহক আধ্যাত্মিক আৰু নৈতিক তথা সামাজিক মূল্যবোধৰ লগতে দান কৰিলে নতুন শিল্পবোধ আৰু নতুন নান্দনিক দৃষ্টিভঙ্গী।"[৩] ধৰ্ম প্ৰচাৰৰ বাবে ৰচিত হ'লেও শংকৰদেৱৰ কাব্যত প্ৰচাৰেই মূল আকৰ্ষণ নহয়। প্ৰচাৰমূলক বক্তব্যক গৌণভাৱে ৰাখিলেও কাব্যসমূহৰ আবেদন হ্ৰাস নাপায়। কাৰণ এইবোৰত আছে শ্ৰোতা-পাঠকৰ হৃদয় জয় কৰিব পৰা নান্দনিক গুণ।

৩ নগেন শইকীয়া; *বিষয় শঙ্কৰদেৱ* , পৃ. ২২

**০.২.০ অধ্যয়নৰ গুৰুত্ব ঃ**

"নন্দনতত্ত্বৰ আধাৰত শ্ৰীমন্ত শঙ্কৰদেৱৰ কাব্য বিচাৰ" - শীৰ্ষক বিষয়ৰ গুৰুত্ব এনেদৰে উপলব্ধি কৰিব পাৰি -

● শঙ্কৰদেৱ আৰু তেওঁৰ সাহিত্য কৰ্মৰ বিভিন্ন দিশৰ অধ্যয়নৰ তুলনাত প্ৰস্তাৱিত বিষয়ত সীমিত পৰিমানৰ অধ্যয়নহে পৰিলক্ষিত হৈছে। গতিকে শ্ৰীমন্ত শঙ্কৰদেৱৰ সাহিত্যৰ সামগ্ৰিক অধ্যয়নৰ প্ৰসঙ্গত বিষয়ৰ গুৰুত্ব আছে বুলিব পাৰি।

● প্ৰাচীন কালত সৰল, নিৰক্ষৰ, চহালোকক আৰু পিছৰ কালত বিদ্বৎ পণ্ডিত আৰু আধুনিক পাঠকক সমানে প্ৰভাৱিত কৰা শঙ্কৰদেৱৰ ৰচনাৰ ঘাই গুণ হিচাবে এই বিষয়টিৰ গুৰুত্ব আছে।

● শঙ্কৰদেৱৰ কাব্য মূলতঃ ধৰ্মকেন্দ্ৰিক আৰু সংস্কৃত সাহিত্যৰ আধাৰত ৰচিত। কিছুমান বাধ্যবাধকতা আৰু সীমাবদ্ধতাৰ মাজত ৰচনা কৰিলেও শঙ্কৰদেৱৰ কাব্যৰ অনিৰ্বচনীয় সুন্দৰতা প্ৰতিজন পাঠকৰ বাবে আগ্ৰহৰ বিষয়। গতিকে, কবি হিচাপে শঙ্কৰদেৱৰ প্ৰতিভাৰ বিদ্যায়তনিক অধ্যয়নৰ বাবেও "নন্দনতত্ত্বৰ আধাৰত শ্ৰীমন্ত শঙ্কৰদেৱৰ কাব্য বিচাৰ" বিষয়ৰ গুৰুত্ব আছে বুলিব পাৰি।

● শঙ্কৰদেৱৰ কাব্যই বৈষ্ণৱ ধৰ্মৰ বাহিৰেও অন্য লোককো আকৰ্ষণ কৰি আহিছে। শঙ্কৰদেৱৰ কাব্যৰ সৰ্বজনগ্ৰাহ্যতাৰ হেতু বিচাৰৰ প্ৰসঙ্গতো বিষয়ৰ গুৰুত্ব আছে বুলিব পাৰি।

● শঙ্কৰদেৱৰ কাব্যৰ আধুনিকতা বিচাৰৰ প্ৰসঙ্গতো বিষয়ৰ গুৰুত্ব আছে বুলিব পাৰি।

শ্ৰীমন্ত শংকৰদেৱ মূলতঃ সমাজ সংগঠক, নৱবৈষ্ণৱ আন্দোলনৰ পুৰোধা হিচাপেহে পৰিচিত। শঙ্কৰদেৱৰ কাব্যখিনিকো ধৰ্ম প্ৰচাৰ তথা সমাজ সংস্কাৰৰ আহিলা হিচাপেহে অধ্যয়ন কৰা দেখা যায়। সৰহ সংখ্যকেই অনুদিত হোৱা সত্বেও সিবিলাকৰ কাব্য গুণ ৰক্ষিত হৈছে। গৱেষণাৰ উল্লেখযোগ্য দিশ এটা হ'ল - শঙ্কৰদেৱৰ সাহিত্যতকৈ পিছত স্বতন্ত্ৰ বিজ্ঞান হিচাপে 'নন্দনতত্ত্ব' সুচিন্তিতভাৱে আৰু সুনিশ্চিতৰূপত প্ৰতিষ্ঠিত হৈছে। শঙ্কৰদেৱে বোমগাৰ্টেনৰ Aesthetic জনাটো সম্ভৱ নাছিল। কিন্তু শঙ্কৰদেৱৰ কাব্যত ভৰত, ভামহ, কুন্তক, অভিনৱগুপ্ত, বিশ্বনাথ কবিৰাজ, ক্ষেমেন্দ্ৰ আদি আলংকাৰিকৰ কাব্য দৰ্শন প্ৰকাশ পোৱাৰ লগতে প্লেটো, এৰিষ্ট'টল, লঙ্গিনাছ, বোমগাৰ্টেন, কান্ট আৰু ক্ৰোচে আদিৰ সৌন্দৰ্য চিন্তাৰ আগতীয়া প্ৰতিফলন ঘটিছিল। সেয়ে প্ৰাচ্য আৰু পাশ্চাত্যৰ নন্দনতাত্ত্বিকসকলৰ "নন্দনতত্ত্বৰ আধাৰত শ্ৰীমন্ত শঙ্কৰদেৱৰ কাব্য বিচাৰ" গৱেষণাৰ এটা বিষয় হিচাপে বিবেচিত হ'ব পাৰে।

**০.৩.০. অধ্যয়নৰ উদ্দেশ্য ঃ**

অসমীয়া তথা ভাৰতীয় সাহিত্যৰ অন্যতম শ্ৰেষ্ঠ সৃষ্টি হ'ল শ্ৰীমন্ত শঙ্কৰদেৱৰ ৰচনাৱলী। শঙ্কৰদেৱৰ গীত-নাট-কাব্যৰ মাজত অন্তহীন সৌন্দৰ্য গোট খাই আছে। শঙ্কৰদেৱক সকলো সময়তে ধৰ্ম প্ৰচাৰক বা সমাজ সংস্কাৰক ৰূপেই আলোচনা কৰা দেখা যায়। ভক্তি ধৰ্ম প্ৰচাৰৰ মুখ্য লক্ষ্য হ'লেও তেওঁৰ ৰচনাত থকা নান্দনিক গুণক প্ৰচাৰমূলক বক্তব্যই ম্লান কৰি তোলা নাছিল। "নন্দনতত্ত্বৰ আধাৰত শ্ৰীমন্ত শঙ্কৰদেৱৰ কাব্য বিচাৰ" - শীৰ্ষক প্ৰস্তাৱিত বিষয়ৰ অধ্যয়নৰ উদ্দেশ্য সমূহ এনেদৰে উল্লেখ কৰা হ'ল -

- ধৰ্মগুৰু শঙ্কৰদেৱৰ মাজত থকা নান্দনিক গুণসম্পন্ন কবি-অনুবাদকজনক পোহৰলৈ অনা।
- শ্ৰীমন্ত শঙ্কৰদেৱৰ কাব্যৰ বিস্তৃত আৰু গভীৰ অধ্যয়নৰ জৰিয়তে নৱবৈষ্ণৱ যুগৰ অসমীয়া কাব্য-সাহিত্যৰ নন্দনতাত্ত্বিক অধ্যয়ন কৰা।
- অনুবাদক শঙ্কৰদেৱৰ নান্দনিক প্ৰতিভাৰ মূল্যায়ন কৰা।
- প্ৰচাৰধৰ্মী সাহিত্যৰ মাজত নিহিত হৈ থকা নান্দনিক সৌন্দৰ্যৰ অধ্যয়ন কৰা।
- শংকৰী সাহিত্যৰ জনপ্ৰিয়তা আৰু স্থায়ীত্বৰ মূল কাৰণৰূপে নান্দনিক চেতনাক প্ৰতিষ্ঠা কৰা।

**০.৪.০ অধ্যয়নৰ পৰিসৰ ঃ**

*হৰিশ্চন্দ্ৰ উপাখ্যান, ৰুক্মিণীহৰণ কাব্য, অজামিল উপাখ্যান, অমৃত মথন, বলিছলন কাব্য আৰু কুৰুক্ষেত্ৰ কাব্য* - এই ছয়খন কাব্যৰ আধাৰত "নন্দনতত্ত্বৰ আধাৰত শ্ৰীমন্ত শঙ্কৰদেৱৰ কাব্য বিচাৰ" শীৰ্ষক গৱেষণা কৰ্ম সম্পূৰ্ণ কৰা হ'ব।

আলোচ্য গৱেষণাৰ প্ৰসঙ্গত শঙ্কৰদেৱৰ কাব্যত অধ্যাত্মিক দৰ্শনৰ প্ৰতিফলন, ভক্তিতত্ত্বৰ প্ৰকাশ, লোকজীৱনৰ প্ৰকাশ, সৰ্বভাৰতীয় পটভূমিত শঙ্কৰদেৱৰ কাব্যৰ বিশ্লেষণ আদিৰ প্ৰসংগ প্ৰয়োজন সাপেক্ষে আহিলেও সেইবোৰত অধিক মনোযোগ দিয়া হোৱা নাই। এই গৱেষণা কেৱল নন্দনতাত্ত্বিক দৃষ্টিভংগীৰেহে কৰা হৈছে।

### ০.৫.০ তথ্য আহৰণৰ পদ্ধতি আৰু উৎস ঃ

"নন্দনতত্ত্বৰ আধাৰত শ্ৰীমন্ত শঙ্কৰদেৱৰ কাব্য বিচাৰ" - শীৰ্ষক গৱেষণা কৰ্মৰ বাবে পদ্ধতি হিচাপে দুটা মূল পদ্ধতি গ্ৰহণ কৰা হৈছে। এই পদ্ধতি দুটা হ'ল - সমীক্ষাত্মক পদ্ধতি আৰু বিশ্লেষণাত্মক পদ্ধতি।

**তথ্য আহৰণৰ উৎস ঃ**

গৱেষণাকৰ্মত দুটা উৎসৰ পৰা তথ্য সংগ্ৰহ কৰা হৈছে। গৱেষণা কৰ্মত মুখ্য উৎস হিচাপে গ্ৰহণ কৰা হৈছে শঙ্কৰদেৱৰ কাব্যসমূহ। *হৰিশ্চন্দ্ৰ উপাখ্যান* (ভট্টাচাৰ্য এজেন্সি), *ৰুক্মিণীহৰণ* (সত্যেন্দ্ৰ বৰদলৈ), *অজামিল উপাখ্যান, অমৃত মথন, বলিছলন* (নবীন চন্দ্ৰ শৰ্মাৰ *শ্ৰীমদভাগৱত*) আৰু *কুৰুক্ষেত্ৰ কাব্য* (জয়ন্ত কুমাৰ বৰা) - এই কাব্যকেইখনক মুখ্য উৎস হিচাপে লোৱা হৈছে।

গৌণ উৎস হিচাপে শঙ্কৰদেৱৰ সাহিত্য আৰু কাব্যসমূহৰ বিষয়ে আলোচনা থকা প্ৰকাশিত গ্ৰন্থ, আলোচনী তথা বিভিন্ন উপলক্ষ্যত প্ৰকাশিত স্মৰণিকা বা স্মৃতিগ্ৰন্থসমূহ।

এই অধ্যয়ন ঘাইকৈ গ্ৰন্থাগাৰৰ ভিত্তিত প্ৰস্তুত কৰা হৈছে। বিষয়ে দাবী কৰা সকলোবিলাক সমলৰ বাবে বিভিন্ন পুথিভঁৰাল, গ্ৰন্থ, আলোচনীৰ সহায় লোৱা হৈছে।

### ০.৬.০ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা ঃ

নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক হিচাপে, সমাজ সংগঠক সংস্কাৰক হিচাপে তথা শঙ্কৰদেৱৰ সাহিত্যিক, সাংস্কৃতিক অৱদানৰ বিভিন্ন কৌণিক অধ্যয়নেৰে শঙ্কৰদেৱৰ অতুল্য বহুমুখী প্ৰতিভাৰ আলোচনা হৈয়েই আহিছে। বিদ্যায়তনিক উদ্দেশ্যধৰ্মিতাৰ বাহিৰেও বহু পণ্ডিত সমালোচক শঙ্কৰদেৱৰ সাধনাত নিৰলসভাৱে প্ৰচেষ্টা হাতত লৈ অহা দেখা গৈছে। ইংৰাজী ভাষাত শঙ্কৰদেৱৰ বিষয়ে গৱেষণাকৰ্ম সম্পাদিত হোৱাৰ উপৰি প্ৰায় দুকুৰিখনমান গ্ৰন্থ ইংৰাজী ভাষাত ছপা হৈ ওলাইছে। প্ৰথমখন গৱেষণা-গ্ৰন্থ মহেশ্বৰ নেওগৰ Sankardava and His Times এইক্ষেত্ৰত বাটকটীয়া। ইংৰাজী ভাষাৰ মাধ্যমত শঙ্কৰদেৱ অধ্যয়নে বিষয়ৰ আন্তঃৰাষ্ট্ৰীয়কৰণৰ পথ সুচল কৰিছে বুলিব পাৰি।

৫১ গৰাকী গৱেষকক শঙ্কৰদেৱক বিষয় হিচাপে লৈ প্ৰস্তুত কৰা গৱেষণাকৰ্মৰ বাবে কলিকতা, শান্তি-নিকেতন, বিহাৰ, যাদৱপুৰ, উত্তৰ-বঙ্গ, ডিব্ৰুগড় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ে সন্মানীয় ডক্টৰেট উপাধি প্ৰদান কৰিছে। তাৰ ভিতৰত গুৱাহাটী বিশ্ববিদ্যালয়ে সৰ্বাধিক ৩৫ গৰাকী গৱেষকক এই উপাধি প্ৰদান কৰিছে।[৪] এই মন্তব্যই প্ৰমাণ কৰে যে বিশ্ববিদ্যালয়সমূহতো পদ্ধতিগতভাৱে শঙ্কৰদেৱৰ চৰ্চা হৈয়ে আহিছে। অৰ্থাৎ শঙ্কৰদেৱ অধ্যয়ন কেৱল ধৰ্মীয় পৰিমণ্ডলতে আৱদ্ধ হৈ থকা নাই; বিদ্যায়তনিক বিষয়লৈও প্ৰসাৰ ঘটিছে। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘইও শঙ্কৰদেৱৰ সাহিত্যৰ বহু দিশদৰ্শী গ্ৰন্থৰ প্ৰকাশ কৰি শঙ্কৰদেৱৰ সাহিত্য অধ্যয়নৰ নতুন নতুন দিশ উন্মোচন কৰি আহিছে। ইয়াৰ বাহিৰেও বিভিন্নজন সমালোচকে শঙ্কৰদেৱক বিভিন্ন দিশত আলোচনা কৰি অহা দেখা যায়। এই সকলোবোৰ আলোচনাৰ ভিতৰত শঙ্কৰদেৱৰ কাব্য আৰু নন্দনতত্ত্বকেন্দ্ৰিক ৰচনাকহে পূৰ্বকৃত অধ্যয়নৰ প্ৰসঙ্গত আলোচনাৰ আওতালৈ অনা হ'ব।

গৱেষণা কৰ্মৰ বিষয়ৰ আধাৰত পূৰ্বকৃত সাহিত্যৰ অধ্যয়নৰ প্ৰসঙ্গত প্ৰধানকৈ দুটা দিশ লক্ষ্য ৰখা হৈছে - (ক) নন্দনতত্ত্ব সম্পৰ্কীয় (প্ৰাচ্য নন্দনতত্ত্ব আৰু পাশ্চাত্য নন্দনতত্ত্ব)।

(খ) শঙ্কৰদেৱৰ সাহিত্যত নন্দনতত্ত্বৰ বিভিন্ন দিশ সম্পৰ্কীয়।

**(ক) নন্দনতত্ত্ব সম্পৰ্কীয় ঃ**

কলাৰ দৰ্শন হিচাপে (Philosophy of Art) খৃঃপূৰ্ব কালৰে পৰা নন্দনতত্ত্বৰ অধ্যয়ন চলি আহিছে, কিন্তু science or study of Beauty হিচাপে বোমগাৰ্টেন পৰৱৰ্তী কালীন প্ৰতিষ্ঠিত নন্দনতত্ত্বৰ অধ্যয়নে নতুন তথ্য, তুলাচনী যুক্তি দাবী কৰে। সেইবাবে নন্দনতত্ত্বৰ অধ্যয়নৰ প্ৰসঙ্গত কলাৰ দৰ্শন আৰু সৌন্দৰ্যৰ অধ্যয়ন - এই দুই বিষয় জড়িত কলাক অধ্যয়নৰ আওতালৈ আনিবলৈ চেষ্টা কৰা হৈছে। অসমীয়া অভিধানত নন্দনতত্ত্ব শব্দটোৰ প্ৰায় অনুপস্থিতিয়ে স্বাভাৱিকতে অসমীয়াত নন্দনতত্ত্বৰ অধ্যয়ন যে চালুকীয়া অৱস্থাতে আছে তাকে প্ৰতিপন্ন কৰে। অসমীয়া সাহিত্যত ভাৰতীয় আলংকাৰিকৰ দৃষ্টিভঙ্গী সম্বলিত গ্ৰন্থ সহজলভ্য হ'লেও পাশ্চাত্য নন্দনতত্ত্ব বিশেষকৈ বোমগাৰ্টেন পৰৱৰ্তীকালীন নন্দনতত্ত্বৰ

৪ বিমল মজুমদাৰ, *শঙ্কৰদেৱ চৰ্চা*, পৃ. ১৮২

আলোচনা সীমিত স্তৰতে আছে বুলিব পাৰি। পাশ্চাত্য নন্দনতত্ত্ব সম্পৰ্কীয় অসমীয়া ভাষাত আলোচনা আগবঢ়াইছে ত্ৰৈলোক্য নাথ গোস্বামীয়ে। ত্ৰৈলোক্য নাথ গোস্বামীৰ এই বিষয়ক গ্ৰন্থসমূহ হ'ল — *নন্দনতত্ত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য, সাহিত্য আলোচনা আৰু সাহিত্য কলা আৰু তাৰ বিচাৰ*।

*নন্দনতত্ত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য,* ত্ৰৈলোক্য নাথ গোস্বামী ঃ গ্ৰন্থখনত খৃ.পূৰ্বকালীন প্লেটোৰ পৰা আৰম্ভ কৰি এলবাৰ্ট কেমুলৈকে মধ্য-বিংশশতিকাৰ পাশ্চাত্য সমালোচকৰ নন্দনতত্ত্ব সম্পৰ্কীয় ধাৰণাসমূহ ব্যাখ্যা কৰিছে। সেইদৰে প্ৰাচ্যৰ আলংকাৰিকৰ নন্দনতত্ত্ব সম্পৰ্কীয় ধাৰণা ভৰতৰ পৰা আৰম্ভ কৰি অলংকাৰ, ৰস, ঔচিত্যতত্ত্বলৈ বিশ্লেষণাত্মক আলোচনা আগবঢ়াইছে। প্ৰাচ্য আৰু পাশ্চাত্য নন্দনতত্ত্ব সম্পৰ্কীয় ধাৰণাৰ স্পষ্ট ৰূপত বিশ্লেষণ আগবঢ়োৱা হৈছে গ্ৰন্থখনত।

*সাহিত্য-কলা আৰু তাৰ বিচাৰ* - শীৰ্ষক গ্ৰন্থত ত্ৰৈলোক্যনাথ গোস্বামীয়ে "বিষয়বস্তুৰ ৰমনীয়তা, তাৰ বিস্মৃতি, বিৰ্চিতা, মহত্ব, বৈপ্লৱিকতা গভীৰতা আৰু আশা-আকাংখ্যাৰ বহুমুখিতাৰ ওপৰত নিৰ্ভৰ কৰে মহৎ সৃষ্টি" — বুলি মহৎ সাহিত্যৰ যি কেইটা লক্ষণৰ কথা উল্লেখ কৰিছে সেই আটাইকেইটা শ্ৰীমন্ত শঙ্কৰদেৱৰ সাহিত্যৰ প্ৰসঙ্গত নিকপকপীয়াকৈ খাপ খাই পৰে। সাহিত্যৰ বিস্মৃতিৰ প্ৰসঙ্গত উল্লেখ কৰিব পাৰি যে শঙ্কৰদেৱৰ সাহিত্য আজিৰ দিনতো উদ্ধৃতি হিচাপে ব্যৱহৃত হয়। অৱশ্যে এই গ্ৰন্থত শংকৰদেৱৰ ৰচনাৰ নান্দনিক গুণৰ বিষয়ে আলোচনা পোৱা নগ'ল।

*The Red River and the Blue Hills* - হেম বৰুৱা ঃ নন্দনতত্ত্বৰ লগত প্ৰত্যক্ষভাৱে সম্পৰ্কিত নহ'লেও এই গ্ৰন্থখনত (সাতটা মূল অধ্যায় আৰু চাৰিটা পৰিশিষ্ট (Appendices) সম্বলিত) হেম বৰুৱাই অসমৰ বিভিন্ন বিষয়ৰ গভীৰ তথা পুংখানুপুংখ অধ্যয়ন আগবঢ়াইছে। Literature শীৰ্ষক ষষ্ঠ অধ্যায়ত অসমীয়া সাহিত্যৰ বিশদ আলোচনাৰ প্ৰসঙ্গত শঙ্কৰদেৱ- মাধৱদেৱক পাশ্চাত্যৰ ব্যক্তি বিশেষৰ এনেধৰণৰ সাদৃশ্য দেখুৱাইছে যিটো বৰ্তমানলৈকে শঙ্কৰদেৱৰ কাব্য অধ্যয়নৰ প্ৰসঙ্গত পৰিলক্ষিত হোৱা নাই। শ্ৰীমন্ত শঙ্কৰদেৱৰ ব্যক্তিত্ব আৰু সাহিত্য সম্পৰ্কে হেম বৰুৱাৰ ধাৰণা তথা মন্তব্য কেইটামান এনেদৰে উল্লেখ কৰিব পাৰি —

Sankardev has gone intensely into a nations aspiration. Sarojini Naidu's words, borrowed from a different context, may best be used to describe the depth of Sankardev reached in a perple's dreams and aspirations.

Your music on a nations tongue,

Your name within a nations prayer.

একেদৰেই শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ তুলনামূলক অধ্যয়নৰ কৰোতে শঙ্কৰদেৱক চক্ৰেটিছ্ৰ লগত তুলনা কৰি কৈছে - "he (Madhabdeva) was a Plato to Sankardev's Socrates."। শ্ৰীমন্ত শঙ্কৰদেৱক বুজিবৰ বাবে আৰ্ন্তজাতিক প্ৰেক্ষাপটত প্ৰতিষ্ঠাপিত কৰিবৰ ক্ষেত্ৰত হেম বৰুৱাৰ ইংৰাজীত ৰচিত এই গ্ৰন্থখন বিশেষভাৱে সহায়ক হ'ব বুলি ভাৰিব পাৰি।

একেখন গ্ৰন্থতে ৰুক্মিনীহৰণ কাব্যৰ প্ৰসঙ্গত হেম বৰুৱাৰ মন্তব্য হ'ল এনেধৰণৰ — Sankardev has, as revealed in the study poems like the Rukmini Haran Kavya, the lure at that narative genius that Ras given popularity to poets who possessed it from Homer to Dante , from Chaucer to Spencer and Millon.

*ভাৰতীয় কাব্যতত্ত্ব আৰু য়ুৰোপীয় কাব্যতত্ত্ব* - কবীন ফুকন ঃ এই গ্ৰন্থখনত সন্নিবিষ্ট চাৰিটা প্ৰবন্ধৰ ভিতৰত প্ৰথম প্ৰাচীন কালৰ ভাৰতীয় কাব্যতত্ত্ব আৰু য়ুৰোপীয় কাব্যতত্ত্ব শীৰ্ষক প্ৰবন্ধত য়ুৰোপীয় দাৰ্শনিকসকলৰ কাব্য চিন্তাৰ গভীৰ অধ্যয়নৰ প্ৰকাশ ঘটা দেখা যায়। সুমিষ্ট ভাষাত তাত্ত্বিক বক্তব্যখিনি প্ৰকাশৰ বাবে তত্ত্বৰ দৰে গভীৰ বিষয়ো পাঠকৰ বাবে সহজবোধ্য হৈছে। পোনপটীয়াকৈ শঙ্কৰদেৱৰ প্ৰসঙ্গ নাথাকিলেও নন্দনতত্ত্ব সম্পৰ্কে অসমীয়া ভাষাত ৰচিত এই গ্ৰন্থখনত প্ৰাচ্যৰ আলংকাৰিক আৰু পাশ্চাত্য সমালোচকৰ দৃষ্টিভংগীৰ বিশদ আলোচনা আগবঢ়োৱা দেখা যায়।

*অসমীয়া সাহিত্যত পাশ্চাত্য দাৰ্শনিক মতবাদৰ প্ৰভাৱ* - গিৰীশ বৰুৱা ঃ গ্ৰন্থখনত নন্দনতত্ত্বৰ অতি সীমিত পৰিসৰৰ আলোচনাত নন্দনতত্ত্বৰ জন্ম আৰু উৎপত্তি সম্পৰ্কে আলোচনা আগবঢ়োৱা দেখা যায়।

*সাহিত্য সংজ্ঞা কোষ* - প্ৰফুল্ল কটকী ঃ গ্ৰন্থখনত নন্দনতত্ত্ব আৰু সৌন্দৰ্য সম্পৰ্কীয় দুটা সংক্ষিপ্ত আলোচনাৰে অসমীয়া ভাষাত নন্দনতত্ত্বৰ আলোচনা আঁত উলিয়াই দিয়া দেখা যায়। ইয়াৰ বাহিৰেও কলা কৈৱল্যবাদ (Arts Gratia Artis) সম্পৰ্কেও আলোচনা আগবঢ়োৱা দেখা যায়। প্ৰাচ্য-পাশ্চাত্য দাৰ্শনিকৰ চিন্তাৰ ভিত্তিত সৌন্দৰ্য সম্পৰ্কীয় ধাৰণাৰ এটা স্পষ্ট ৰূপ দাঙি ধৰা দেখা যায়।

*ৰঘুনাথ চৌধাৰীৰ কবিতাত সৌন্দৰ্য চেতনা* - মঞ্জু চক্ৰৱৰ্তী ঃ এই গ্ৰন্থখনৰ প্ৰথম অধ্যায়ত

"সৌন্দৰ্যতত্ত্ব ঃ সংজ্ঞা আৰু স্বৰূপ, পাশ্চাত্য ঘাই সৌন্দৰ্যতত্ত্ববিদসকলৰ বক্তব্য, ভাৰতীয় ঘাই সৌন্দৰ্য তত্ত্ববিদ সকলৰ বক্তব্য" - এই তিনিটা প্ৰধান বিষয়ৰ বিস্তৃত অধ্যয়ন কৰা দেখা যায়। প্ৰাচ্য আৰু পাশ্চাত্য নন্দনতত্ত্বৰ গৱেষণাৰ পদ্ধতিসন্মত ব্যাখ্যা কৰি নন্দনতত্ত্ব সম্পৰ্কীয় সুস্পষ্ট ধাৰণা এটা দাঙি ধৰিছে।

*শঙ্কৰদেৱৰ সাহিত্য-প্ৰতিভা (তৃতীয় খণ্ড)* - শ্ৰী হৰিনাথ শৰ্মা দলৈ ঃ এই গ্ৰন্থখনৰ কবিকৃতি আৰু কান্তিবিদ্যা সন্নিবিষ্ট প্ৰথম প্ৰকৰণত বোমগাৰ্টেনৰ পৰা আৰম্ভ কৰি পাশ্চাত্য নন্দনতত্ত্ববিদৰ ধাৰণা আৰু ভাৰতীয় আলংকাৰিকসকলৰ বিভিন্ন মতবাদৰ আলোচনা কৰা দেখা যায়। অৱশ্যে ইয়াৰ বাহিৰেও প্ৰাচ্যৰ অলংকাৰ, ৰস-ধ্বনি ইত্যাদি সম্পৰ্কেও গ্ৰন্থখনত আলোচনা কৰা দেখা যায়।

*কাব্য আৰু কাব্যতত্ত্ব* - সম্পাদনা তিলক বৰা ঃ 'কাব্য আৰু কাব্যতত্ত্ব' শীৰ্ষক গ্ৰন্থখনৰ অখিল হাজৰিকাৰ 'হৰেছ আৰু লনজাইনছৰ কাব্যতত্ত্ব', গীতালী শইকীয়াৰ 'কাব্যৰ শৰীৰ ঃ ছন্দ আৰু ছন্দসজ্জা', চণ্ডীচৰণ গোস্বামীৰ 'অসমীয়া সাহিত্য ও নন্দনতত্ত্বৰ চৰ্চা - এক সমীক্ষা' শীৰ্ষক প্ৰবন্ধৰাজিত নন্দনতত্ত্ব সম্পৰ্কীয় বিশদ আলোচনা আগবঢ়োৱা দেখা যায়। বিশেষকৈ চণ্ডীচৰণ গোস্বামীৰ প্ৰবন্ধত সন্নিৱিষ্ট "অসমত এই চৰ্চা এতিয়াও এক প্ৰকাৰ চালুকীয়া অৱস্থাতে আছে" — এইষাৰ মন্তব্যই অসমীয়া সাহিত্যত নন্দনতত্ত্ব চৰ্চাৰ সীমাবদ্ধতাৰ কথা প্ৰমাণ কৰে।

*সাহিত্য, সংজ্ঞা আৰু আংগিক* - পৰাগ কুমাৰ ভট্টাচাৰ্য ঃ এই গ্ৰন্থখনৰ প্ৰথম অধ্যায়ত সাহিত্যৰ স্বৰূপ, গ্ৰীক, ৰোমান আৰু ইংৰাজী সাহিত্যৰ প্ৰসঙ্গ উল্লেখেৰে ৰস, সৌন্দৰ্য কবিতাৰ স্বৰূপ, কাব্যস্বৰূপৰ ঐতিহাসিক বিশ্লেষণ আগবঢ়াইছে।

বিমল মজুমদাৰৰ *সাহিত্যৰ তত্ত্ব আৰু প্ৰয়োগ* গ্ৰন্থত মাৰ্ক্সবাদী নন্দনতত্ত্বৰ আলোচনাৰ প্ৰসঙ্গত পাশ্চাত্য নন্দনতত্ত্বৰ বিস্তৃত বিৱৰণৰ বাহিৰেও নন্দনতত্ত্বৰ চাৰিটা শ্ৰেণীবিভাজনৰ উল্লেখেৰে কলাকৈৱল্যবাদী ধাৰাৰো আলোচনা আগবঢ়াইছে।

প্ৰাচ্য আলংকাৰিকৰ নন্দনতত্ত্ব সম্পৰ্কীয় দৃষ্টিভংগীৰ বিষয়ে থকা কেইখনমান উল্লেখযোগ্য গ্ৰন্থত পোৱা গৈছে। *সাহিত্য আলোচনা* নামৰ গ্ৰন্থখনত ত্ৰৈলোক্যনাথ গোস্বামীয়ে প্ৰাচ্য আৰু পাশ্চাত্যৰ সমালোচকৰ দৃষ্টিৰে সাহিত্যৰ স্বৰূপ, প্ৰকাৰভেদৰ বিষয়ে আলোচনা কৰাৰ বাহিৰে ভাৰতীয় অলংকাৰ শাস্ত্ৰৰ বিভিন্ন মতবাদ, কাব্যৰ আত্মা আদিৰ ব্যাখ্যা কৰিছে।

তীৰ্থনাথ শৰ্মাৰ *সাহিত্য বিদ্যা পৰিক্ৰমা* অলংকাৰ, ৰস আদি ভাৰতীয় অলংকাৰ শাস্ত্ৰৰ দিশসমূহৰ এখন প্ৰামাণ্য গ্ৰন্থ। বিশেষকৈ শব্দালংকাৰ আৰু অৰ্থালংকাৰৰ উদাহৰণসহ আলোচনা ভাৰতীয় অলংকাৰ শাস্ত্ৰৰ অসমীয়া ভাষাত ৰচিত উল্লেখযোগ্য গ্ৰন্থ।

*সাহিত্যৰ পটভূমি* বীৰেন বৰকটকী ৰচিত অসমীয়া সাহিত্যতত্ত্ব বিষয়ক উল্লেখযোগ্য গ্ৰন্থ। পাঠকৰ বাবে সহজবোধ্য, প্ৰাঞ্জল ভাষাত ৰচনা কৰা এই গ্ৰন্থৰ কবিতা আৰু কবি কল্পনাৰ আধাৰ প্ৰবন্ধত সৌন্দৰ্যৰ কাৰক আৰু উৎসৰ বিষয়ে আলোচনা আগবঢ়োৱা দেখা যায়।

মুকুন্দ মাধৱ শৰ্মাৰ *ধ্বনি আৰু ৰসতত্ত্ব* অসমীয়া ভাষাত ৰচিত ধ্বনি আৰু ৰসতত্ত্ব সম্পৰ্কীয় গ্ৰন্থ য'ত ৰস সম্পৰ্কে, ৰসৰ উৎপত্তি সম্পৰ্কে পুংখানুপুংখ অধ্যয়ন আগবঢ়াইছে। শঙ্কৰদেৱৰ ৰামবিজয় নাটকৰ উদাহৰণেৰে প্ৰত্যেকটো ৰসৰ পৰিচয় দাঙি ধৰা দেখা যায়।

মহেন্দ্ৰ বৰাৰ *সাহিত্য উপক্ৰমণিকা, অসমীয়া কবিতাৰ ছন্দ, অসমীয়া ছন্দৰ শিল্পতত্ত্ব* প্ৰাচ্যৰ নন্দনতত্ত্ব বিষয়ক আধাৰ গ্ৰন্থ বুলিব পাৰি। মহেন্দ্ৰ বৰাই প্ৰথমবাৰৰ বাবে শঙ্কৰদেৱক অসমীয়া "ছন্দোগুৰু" আখ্যাৰে বিভূষিত কৰিছে। শঙ্কৰদেৱৰ কাব্যৰ ছন্দৰ প্ৰসঙ্গত মহেন্দ্ৰ বৰাক অতিক্ৰমি কোনেও নতুনকৈ মত আগবঢ়োৱা দেখা নাযায়। বিশেষকৈ মাধৱ কন্দলিৰ সময়ৰ ছন্দ আৰু শঙ্কৰদেৱৰ কাব্যৰ ছন্দৰ তুলনামূলক আলোচনাৰে শঙ্কৰদেৱৰ নতুন ছন্দৰ বিষয়ে সবিশেষ আলোচনা কৰিছে।

নৰকান্ত বৰুৱাৰ *কবিতাৰ দেহ বিচাৰ আৰু অসমীয়া ছন্দশিল্প*ৰ ভূমিকা গ্ৰন্থত অলংকাৰ আৰু ছন্দৰ বিষয়ে আলোচনা আগবঢ়োৱা দেখা যায়। *কবিতাৰ দেহ বিচাৰ*ত সংস্কৃত আৰু ইংৰাজী সাহিত্যৰ অলংকাৰসমূহৰ সাধাৰণ পৰিচয় আগবঢ়োৱা হৈছে। অলংকাৰে কাব্যত সৌন্দৰ্য সৃষ্টি সম্পৰ্কে আলোচনা নকৰিলেও প্ৰতিটো অলংকাৰৰ বিশ্লেষণে অলংকাৰ সম্পৰ্কে ভাৰতীয় চিন্তাক প্ৰতিনিধিত্ব কৰা দেখা যায়।

কৰবী ডেকা হাজৰিকাৰ *কবিতাৰ ৰূপছায়াত* কবিতা সম্পৰ্কে, কবিতাৰ, ৰস, ছন্দ সম্পৰ্কে সাৱলীলভাষাত বৰ্ণনা কৰা দেখা যায়।

যতীন বৰাৰ *অলংকাৰ ধ্বনি আৰু ছন্দত* ভাৰতীয় অলংকাৰ শাস্ত্ৰৰ অন্তৰ্গত ৰস, ছন্দ, অলংকাৰৰ আলোচনা আগবঢ়োৱা দেখা যায়।

ইয়াৰ বাহিৰেও তিলক বৰাৰ সম্পাদনাত প্ৰকাশিত *কাব্য আৰু কাব্যতত্ত্ব* গ্ৰন্থত বিৰিঞ্চি কুমাৰ

বৰুৱাৰ ৰস-পৰম্পৰা, মুকুন্দ মাধৱ শৰ্মাৰ কবি এজন স্ৰষ্টা, নৰকুমাৰ সন্দিকৈৰ সাহিত্যৰ ৰস আৰু তাৰ বিচাৰ, অদিতি বৰুৱাৰ ভৰতৰ নাট্যশাস্ত্ৰ, গীতালী শইকীয়াৰ কাব্যৰ শৰীৰ ঃ ছন্দ আৰু ছন্দসজ্জা আদি প্ৰবন্ধই প্ৰাচ্য অলংকাৰ শাস্ত্ৰৰ বিবিধ দিশৰ আলোচনা আগবঢ়াইছে। অসম সাহিত্য সভাৰ দ্বাৰা মহেশ্বৰ নেওগ সম্পাদিত প্ৰবন্ধ সঞ্চয়নত ৰামকৃষ্ণ ওজাৰ 'অলংকাৰ' সম্পৰ্কীয় প্ৰবন্ধটোৰ গৱেষণাকৰ্মৰ লগত সম্পৰ্ক থকা দেখা যায়। এই প্ৰবন্ধটোতে অনুপ্ৰাসক শব্দালংকাৰৰ ভিতৰত আৰু উপমাক অৰ্থালংকাৰৰ ভিতৰত শ্ৰেষ্ঠ বুলি অভিহিত কৰা দেখা যায়। এইবিলাকৰ বাহিৰেও ৰস, অলংকাৰ, ছন্দ বিষয়ক বহুতো প্ৰবন্ধ বিভিন্ন গ্ৰন্থত সন্নিৱিষ্ট হৈ থকা দেখা যায়।

মঞ্জু চক্ৰৱতীৰ *ৰঘুনাথ চৌধাৰীৰ কবিতাত সৌন্দৰ্য চেতনা* শীৰ্ষক গ্ৰন্থৰ প্ৰথম অধ্যায়ত প্ৰাচ্য আৰু পাশ্চাত্য নন্দনতত্ত্বৰ পদ্ধতিগত আলোচনা আগবঢ়োৱা দেখা যায়। বিশেষকৈ নিজৰ মতৰ সপক্ষে  ইংৰাজী উদ্ধৃতিৰ প্ৰয়োগেৰে লেখিকাই বিষয়বস্তুৰ বস্তুনিষ্ঠ আলোচনা আগবঢ়োৱা দেখা যায়।

**শঙ্কৰদেৱৰ কাব্যত নন্দনতত্ত্ব সম্পৰ্কীয় দৃষ্টিভংগীৰ আলোচনা সম্পৰ্কীয় গ্ৰন্থ ঃ**

লক্ষ্মীনাথ বেজবৰুৱাই গ্ৰন্থখনৰ সপ্তম অধ্যায়ত *ৰুক্মিণীহৰণ* কাব্যৰ বিশ্লেষণাত্মক আলোচনা আগবঢ়াইছে। কাব্যখনিৰ জনপ্ৰিয়তাৰ কাৰণ নিৰ্ণয় কৰি কাব্যখনৰ শিল্পসৌন্দৰ্য বিতংভাৱে আলোচনাৰে কাহিনীৰ বৰ্ণনা কৰি পুথিখনৰ প্ৰত্যেকটো উল্লেখযোগ্য দিশৰ বিষয়ে বৰ্ণনা কৰিছে।

বাণীকান্ত কাকতি, বিৰিঞ্চিকুমাৰ বৰুৱা, ডিম্বেশ্বৰ নেওগ, বাপচন্দ্ৰ মহন্ত, নাৰায়ণচন্দ্ৰ গোস্বামী, কেশদা মহন্ত, ৰঞ্জিত কুমাৰ দেৱগোস্বামী আদি বহু কেইজনে একান্তভাৱে কাব্যৰ শঙ্কৰদেৱৰ সাহিত্যৰ বিভিন্ন প্ৰসঙ্গৰ আলোচনা আগবঢ়াই আহিছে। সত্যেন্দ্ৰ নাথ শৰ্মা আৰু মহেশ্বৰ নেওগৰ শঙ্কৰদেৱ কেন্দ্ৰিক গৱেষণাৰ যোগেদি গুৱাহাটী বিশ্ববিদ্যালয়ৰ গৱেষণাৰ ক্ষেত্ৰখন মুকলি হয়।

*SANKARDEVA*  নামৰ গ্ৰন্থৰ সপ্তম অধ্যায়ত (A Great Age in Literature) ত মহেশ্বৰ নেওগে- In his early works of Harichandra and Rukmini Haran Sankardeva exibits the same narrative zeal as was evident in the preceding period of Assamese poetry. বুলি মন্তব্য কৰিছে। তেখেতে এই গ্ৰন্থত অতি চমুকৈ শঙ্কৰদেৱৰ কবি প্ৰতিভাৰ আলোচনা কৰিছে। কিন্তু

ৰঞ্জিৎ কুমাৰ দেৱগোস্বামী সম্পাদিত *Essays on Sankardeva* গ্ৰন্থৰ ৬২ পৃষ্ঠা জোৰা প্ৰবন্ধত (পৃ. ৩৬-৯৮ লৈ) শঙ্কৰদেৱৰ সাহিত্যৰ বিশেষকৈ কাব্যৰ বিষয়ে ইংৰাজী ভাষাত বিশ্লেষণাত্মক প্ৰৱন্ধ যুগুত কৰিছে।

সত্যেন্দ্ৰ নাথ শৰ্মাই ১৯৯৮ চনত প্ৰকাশিত *A Glimpse of the Art of Sankardeva's Poetry* গ্ৰন্থত শংকৰদেৱৰ কাব্যিক প্ৰতিভাৰ সমীক্ষা আগবঢ়াইছে। ছয়টা সৰু সৰু খণ্ডৰ সমষ্টি এই গ্ৰন্থখনৰ তৃতীয় খণ্ডত *হৰিশ্চন্দ্ৰ উপাখ্যান* আৰু *ৰুক্মিণীহৰণ*ৰ বিশদভাৱে আলোচনা কৰিছে।

নগেন শইকীয়াৰ *বিষয় শঙ্কৰদেৱ*ৰ চতুৰ্থ আলোচনাত কবি শঙ্কৰদেৱৰ কাব্য ভাৱনা, কাব্যৰ দাৰ্শনিক আধাৰ, বিষয়বস্তু, বিষয়বস্তুৰ উৎস, ৰস, ছন্দ আদিৰ সামগ্ৰিক আলোচনাৰে শঙ্কৰদেৱৰ কাব্যিক প্ৰতিভাৰ আলোচনা কৰিছে।

ভৱ প্ৰসাদ চলিহা সম্পাদিত *শঙ্কৰী সংস্কৃতিৰ অধ্যয়ন* গ্ৰন্থত বিশ্বেশ্বৰ হাজৰিকাই 'শঙ্কৰদেৱৰ সাহিত্যত অলংকাৰ' শীৰ্ষক প্ৰবন্ধেৰে শঙ্কৰদেৱৰ সাহিত্যত শব্দালংকাৰ, অৰ্থালংকাৰৰ কথা একাদিক্ৰমে বৰ্ণনা কৰিছে।

কৰবী ডেকা হাজৰিকাৰ *অসমীয়া কবি আৰু কবিতা*ৰ প্ৰাচীন অসমীয়া কবিতাত শঙ্কৰদেৱৰ কাব্যৰ বিশদ অধ্যয়ন আগবঢ়াইছে। অসমীয়া সাহিত্যৰ ৰূপছায়াৰ কীৰ্তনৰ প্ৰবন্ধটিৰ বাহিৰেও কীৰ্তন-ঘোষাৰ ছন্দ, অলংকাৰৰ বিষয়ে প্ৰবন্ধত আলোচনা আগবঢ়োৱা দেখা যায়।

আনন্দ বৰমুদৈৰ *যুগনায়ক শঙ্কৰদেৱ ঃ সংগ্ৰহণ আৰু আত্মীকৰণ* গ্ৰন্থত কবি শঙ্কৰদেৱ আৰু শঙ্কৰদেৱৰ কাব্যৰ এটা বিশেষ গুণ - প্ৰবন্ধত ''কবি শঙ্কৰদেৱ সকলো লিখকৰে শিক্ষক'' বুলি মন্তব্য কৰি কবি শঙ্কৰদেৱৰ শ্ৰেষ্ঠত্বৰ কাৰণ সমূহ আলোচনা কৰিছে।

হৰিনাথ শৰ্ম্মাদিলৈৰ *শঙ্কৰদেৱৰ সাহিত্য-প্ৰতিভা* (তৃতীয় খণ্ডত) শঙ্কৰদেৱৰ সাহিত্যৰ নন্দনতত্ত্ব সম্পৰ্কীয় আলোচনা কৰা দেখা যায়। গৱেষণাৰ পদ্ধতি প্ৰয়োগ নকৰাকৈ ৰচনা কৰা এই গ্ৰন্থত পাশ্চাত্য নন্দনতাত্ত্বিকসকলৰ প্ৰসঙ্গ কম পৰিমাণে উল্লেখ থকা দেখিবলৈ পোৱা যায়। লগতে প্ৰাচ্যৰ অলংকাৰিকৰ দৃষ্টিভঙ্গীৰ ক্ষেত্ৰতো ব্যাখ্যাতকৈ উদাহৰণৰ পয়োভৰ বেছি দেখা যায়।

ৰুবী মহন্তৰ *শঙ্কৰদেৱৰ সাহিত্যৰ নন্দনতাত্ত্বিক অধ্যয়ন* প্ৰস্তাৱিত বিষয়ৰ লগত আটাইতকৈ ওচৰ চপা গ্ৰন্থ। ৰুবী মহন্তই তেওঁৰ গ্ৰন্থখনত পাশ্চাত্যৰ নন্দনতাত্ত্বিক দৃষ্টিভঙ্গীৰ আলোচনা চাৰি পৃষ্ঠাত সামৰণি

মাৰি ভাৰতীয় ৰসৰ মূলতঃ হাস্য, শৃংগাৰ, কৰুণ, বীৰ, ভক্তিৰসৰ আলোচনা কৰি অলংকাৰ, ছন্দৰ কথা বৰ্ণনা কৰিছে। অৱশ্যে শঙ্কৰদেৱৰ ৰচনাত সামগ্ৰিক ছবি, লোক বিশ্বাস, খাদ্য সম্ভাৰ, বাসগৃহৰ বৰ্ণনাৰ প্ৰসঙ্গৰে চৰিত্ৰ সৃষ্টিৰ উজ্জ্বলতা তথা কৃষ্ণ চৰিত্ৰৰ বৰ্ণনা কৰিছে। পৰিশিষ্টত শঙ্কৰকালীন নাট্যৰীতিত বিশেষত্ব, পাৰিজাত আৰু ৰামবিজয় নাটৰ দুটি আলোচনা আগবঢ়াইছে।

প্ৰকাশ গোস্বামীৰ *কবিতা দুখৰ ঋতু আৰু অন্যান্য* গ্ৰন্থত সন্নিৱিষ্ট 'নন্দনতাত্ত্বিক বিচাৰত শঙ্কৰদেৱৰ কাব্য' আৰু 'শঙ্কৰদেৱৰ সাহিত্যত অলংকাৰ' শীৰ্ষক এই প্ৰবন্ধত শঙ্কৰদেৱৰ সাহিত্যৰ থুলমূলকৈ নন্দনতাত্ত্বিক বিচাৰ কৰিছে।

সঞ্জীৱ কুমাৰ বৰকাকতীৰ *যুগদ্ৰষ্টা শ্ৰীমন্ত শঙ্কৰদেৱ -মাধৱদেৱ* গ্ৰন্থত সন্নিৱিষ্ট দয়ানন্দ পাঠকৰ 'শ্ৰীমন্ত শঙ্কৰদেৱৰ ৰচনাত কাব্যিকতা' প্ৰবন্ধত শঙ্কৰদেৱৰ কবিতাৰ পৰিসীমা নিৰ্ণয়েৰে কবি শঙ্কৰদেৱৰ গভীৰ অৰ্ন্তদৃষ্টি, পদ্ধতিগত কল্পনা আৰু ভাষাৰ প্ৰয়োগ প্ৰতিভা, জীৱনক বিশাল পটভূমিত বিশ্লেষণ কৰাৰ দক্ষতা, মানৱ বন্দনা, প্ৰকৃতিপ্ৰেম, অলংকাৰ প্ৰয়োগ আৰু লৌকিক, পাৰলৌকিক আনন্দ দানৰ ক্ষমতাৰ বিষয়েও আলোচনা কৰা দেখা যায়।

*যুগদ্ৰষ্টা শ্ৰীমন্ত শঙ্কৰদেৱ-মাধৱদেৱ* গ্ৰন্থতেই কল্পনা হাজৰিকা গায়নৰ ৰুক্মিণী হৰণ কাব্যৰ মূল উল্লেখেৰে কাব্যখনৰ ৰূপ, ৰস আৰু ভাৱৰ বিশ্লেষণাত্মক আলোচনা আগবঢ়োৱা দেখা যায়। ইয়াৰ বাহিৰেও *গৰীয়সী*ৰ শঙ্কৰদেৱ বিশেষ সংখ্যা, *কথা-গুৱাহাটী*ৰ শঙ্কৰদেৱ বিশেষ সংখ্যা, শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ বাৰ্ষিক স্মাৰকগ্ৰন্থসমূহ আৰু শঙ্কৰদেৱৰ জন্মোৎসৱ আৰু তিৰোভাৱ উপলক্ষে আয়োজিত অনুষ্ঠানত প্ৰকাশিত স্মাৰকগ্ৰন্থত শঙ্কৰদেৱৰ সাহিত্যৰ, কাব্যৰ বিভিন্ন দিশদৰ্শী আলোচনা হৈয়েই আহিছে।

এনেদৰে লক্ষ্মীনাথ বেজবৰুৱাৰ পৰা সাম্প্ৰতিক সময়লৈকে বিভিন্নজনৰ চিন্তা-চেতনাত শঙ্কৰদেৱৰ সাহিত্য তথা কাব্য সম্বন্ধীয় আলোচনাই ঠাই পোৱা দেখা যায়।

### ০.৭ প্ৰাক্-কল্পনা ঃ

শঙ্কৰদেৱৰ সাহিত্যতকৈ পৰৱৰ্তীকালত এক চিন্তা হিচাপে জন্ম লাভ কৰা নন্দনতত্ত্বৰ পুংখানুপুংখ অধ্যয়ন তথা প্ৰাচ্যৰ আলংকাৰিকসকলৰ মতবাদৰ আধাৰত শঙ্কৰদেৱৰ কাব্যৰ বিচাৰ সম্পূৰ্ণ

আৰু শুদ্ধ ৰূপত আগবঢ়োৱাতো সম্ভৱ। ঐহিক জীৱন বিশ্বাসী পাশ্চাত্যৰ নন্দনতাত্ত্বিক দৃষ্টিভঙ্গী আৰু প্ৰাচ্যৰ পাৰলৌকিক জীৱন বিশ্বাসীৰ নন্দনতাত্ত্বিক দৃষ্টিভঙ্গীৰ এটা ভাৰসাম্যযুক্ত ৰূপ শংকৰদেৱৰ কাব্যত ফুটি উঠিছিল বুলি পূৰ্বানুমান কৰিব পাৰি। বিষয়, ভাৱ, ৰূপ, ৰসত নন্দনতত্ত্বৰ সকলো উপাদান প্ৰতিফলিত শংকৰদেৱৰ কাব্যত কাব্য সৃষ্টিৰ সন্দৰ্ভত প্ৰাচ্য-পাশ্চাত্যৰ নন্দনতত্ত্বৰ সকলো বৈশিষ্ট্য ফুটি উঠিছিল বুলি অনুমান কৰিব পাৰি। তদুপৰি এই গুণেই যে শংকৰদেৱৰ সাহিত্যিক চিৰকালৰ বাবে প্ৰাসংগিক কৰি থৈছে এই গৱেষণাত তাৰো সাক্ষ্য পোৱা যাব।